# ওপৰত

কোঠাটোত দেৱাল নাছিল। আলোক-বিভ্ৰমৰ সহায়েৰে কৃত্ৰিম পৰ্দাবোৰ টানি পৃথিৱীৰ কোঠা এটাৰ চেতনা সৃষ্টি কৰাৰো কোনো আৱশ্যক নাছিল। কোঠাটোৰ আলোক, ৰং আৰু উত্তাপ পৰিৱৰ্তনৰো কোনো প্ৰয়োজন নাছিল, কিয়নো ৰোগী প্ৰায় সম্পূৰ্ণ অজ্ঞান, হৃৎপিণ্ড প্ৰায় স্তব্ধ। এই বৰ্তুলাকাৰ আৰু চাপনিয়ন্ত্ৰিত কোঠাটোৰ অভিনৱত্বই ৰোগীৰ কোনো মনস্তাত্ত্বিক পৰিৱৰ্তন নানে, কোনো শাৰীৰিক অধোগতি নঘটায়।

প্ৰায় তিনি মিটাৰ দূৰত এখন বক্ৰাকাৰ চকীত বহি চিকিৎসকে ৰোগীক নিৰীক্ষণ কৰিছিল। ৰোগীৰ বয়স ৩০ আৰু ৪০-ৰ মাজত, মুখখন ক্লান্ত, ওঁঠ চেপি-চেপি ধৰিছে, চুলি ক'লা—মুখখন দেখি বুজিবৰ উপায় নাই কোন দেশৰ মানুহ ঃ চাইপ্ৰাছ, গ্ৰীচ, তুৰস্ক, ভাৰতবৰ্ষ...। লিমাৰ ৰাস্তাত অচেতন অৱস্থাত পোৱা গৈছে, কিন্তু পেৰু চৰকাৰৰ মতে মানুহজন পেৰুৰ নহয় (পৃথিৱীত পাছপ'ৰ্টৰ ব্যৱহাৰ উঠি যোৱাৰ পাছত এই এটা মাত্ৰ অসুবিধা মাজে-মাজে প্ৰকট হৈ উঠিছে)। ৰোগীৰ জেপত চিনাক্ত কৰিব পৰা কোনো কাগজ-পত্ৰ নাই, দেহতো একো নাই (কৰ্ফুত কিনা ট্ৰাউজাৰ আৰু কামিজ, এডিনবৰাৰ দোকানৰ কোট আৰু ঘড়ী, ইত্যাদি দুটামান ঝাপ্‌সা ইংগিতৰ বাহিৰে)। যিমান দূৰ বুজা গৈছে, ৰোগীৰ স্মৃতিশক্তি সম্পূৰ্ণ লুপ্ত।

ৰোগীৰ মূৰশিতানত এখন জাল, ৰাডাৰযন্ত্ৰৰদৰে, কিন্তু শতগুণ জটিল ঃ আমেৰিকাৰ আই.বি.এম আৰু জাপানৰ মাইনিছিৰ যুগ্ম-প্ৰচেষ্টাত উদ্ভুত হোৱা মস্তিষ্কতৰংগ-গ্ৰাহক যন্ত্ৰ। ৰোগীৰ মস্তিষ্কৰপৰা নিৰ্গত তৰংগবোৰ তাত ধৰা পৰিছে, বিদ্যুৎ-চৌম্বক ক্ষেত্ৰত পৰিৱৰ্তিত আৰু শ্ৰেণীবন্ধ হৈছে, আৰু তাৰপৰা ৰাডাৰৰ ছবিৰদৰে কিছুমান ছবিলৈ ৰূপান্তৰিত হৈছে। স্বয়ংক্ৰিয় ছাৰ্ভ'-লিভাৰ আৰু চকা কিছুমানে ৰোগীৰ দেহৰ সকলো প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰিছে, গ্ৰাফ্ টানি গৈছে।

চিকিৎসক প্ৰৌঢ়, তেওঁৰ চুলি আৰু গোঁফ বগা, তেওঁৰ চকুৰ চাৰিওপিনে ক'লা দাগ। তেওঁ আৰু এবাৰ পৃথিৱীৰপৰা অহা সংকেতখিনি পঢ়িলে ঃ "...অৰ্থাৎ সংজ্ঞাবিলুপ্তি বা 'কমা'। ইলেক্টএ'ন্‌চেফাল'গ্ৰামত দেখা মতে কাৰণ সম্ভৱতঃ কোনো ডাঙৰ আঘাত বা 'শ্বক', যাৰ ফলত লেন্টিকুল' ষ্ট্ৰিয়েট আৰ্টাৰি ছিঙি গৈছে আৰু মস্তিষ্কত আভ্যন্তৰীণ ৰক্তপাত আৰম্ভ হৈছে। দ্বিতীয় ইনফে'ক্‌শ্যনৰ আশঙ্কা। প্ৰাথমিকভাৱে পেনিচিলিন দিয়া হৈছে। প্ৰেৰণৰ সময়ত ৰোগীৰ নাড়ীস্পন্দনৰ হাৰ..."

এই বৰ্তুলাকাৰ কোঠাটোৰ লগত এডাল দীঘল মোটা তাঁৰেৰে বাহিৰত আন এটা কক্ষ সংযুক্ত, দুয়োটা কক্ষ লাহে-লাহে উমৈহতীয়া অক্ষৰ চাৰিওপিনে ঘূৰিছে, যাৰ ফলত এটা কৃত্ৰিম মধ্যাকৰ্ষণৰ সৃষ্টি হৈছে। বাহিৰৰ সেই নিয়ন্ত্ৰণ-কক্ষটোৰপৰা তেওঁ সংকেতৰ অপেক্ষা কৰিছে।

এটা লাইট জ্বলিল আৰু চিকিৎসকে এলুমিনিয়ামৰ পৰ্দা এখনৰ কাষলৈ মুখ নিলে।

"অ, জিম?"

"কেইখনমান ছবি ফুটি ওলাইছে", নিয়ন্ত্ৰণ কক্ষৰপৰা অহা মাতটোৱে ক'লে, এটা তৰুণ মাৰ্কিন কণ্ঠ, দ আৰু সপ্ৰতিভ। "সংযোগ দিম?"

"দিয়া।"

ৰোগীৰ মূৰ শিতানত লাহে-লাহে এখন পৰ্দা নামি আহিল, আৰু তাত বিলম্বিত গতিত কিছুমান অনিৰ্দিষ্ট ছবি ভাহি উঠিল আৰু মিলি গ'ল, ক'লা আৰু বগা, প্ৰায় ৰাডাৰৰ পৰ্দাত উঠা ছবিৰদৰে। সংজ্ঞাহীন ৰোগীৰ মস্তিষ্কৰ ছবিৰ টুকুৰা। নিষ্পলক দৃষ্টিৰে চিকিৎসকে সেইপিনে চাব ধৰিলে। ছবিবোৰৰ অসংলগ্ন আৰু অস্পষ্ট, অকস্মাৎ ইটোৰপৰা সিটোলৈ পৰিৱৰ্তিত, কোনো যোগসূত্ৰ নাই, কোনো ক্ৰমিকতা নাই ঃ কিছুমান ঘৰ আৰু অট্টালিকা (সম্ভৱতঃ)। ৰাস্তা। কিছুমান গতিশীল অৱয়ৱ, খুব সম্ভৱতঃ মানুহ—কিন্তু ক'ৰ ৰাস্তা, ক'ৰ মানুহ, কি মানুহ? ছবিবোৰ অৱশ্যেই গতিশীল, কিন্তু সেই গতিৰ কোনো দিশ নাই, উদ্দেশ্য নাই, আপাতদৃষ্টিত এটা বিপৰ্যস্ত যথেচ্ছ গতি (সপোনত যেনেকুৱা হয়)। বহু মানুহৰ ভিৰ, বহু অট্টালিকা, বহুতো চহৰ, বহুতো ৰাস্তা—ষ্ট্ৰিট আৰু ষ্ট্ৰাছে আৰু ভিয়া আৰু বুল্‌ভাৰ্...হঠাৎ এই পাৰ্থিৱ ছবিসমষ্টি শেষ হৈ গ'ল, পৰ্দাৰ ওপৰত উজ্জ্বল-উজ্জ্বল বিন্দু, যেন তৰাৰ সমন্বয়, যেন স্ফটিকৰ আকাৰ।

"জিম?", চিকিৎসকে পৰ্দাৰ কাষলৈ মুখ নি ক'লে।

"অ, হে'ৰ্ প্ৰফেছৰ?"

"সপ্তম ৰীলত সেইবোৰ তৰাৰ নক্সা জানো?"

"হয়, হে'ৰ্ প্ৰফেছৰ। অৱশ্যে সাধাৰণতম নক্ষত্ৰপুঞ্জ, যিবোৰ ল'ৰাই স্কুলতে শিকে। সপ্তৰ্ষিমণ্ডল, হাতীপটিৰ বিভিন্ন

পুঞ্জ, উর্চা-মেজৰৰ কুণ্ডলী নীহাৰিকা এম-১০১—আমি যিমানদূৰ জানিব পাৰিছোঁ, ৰোগী জ্যোতির্বিদ নহয়। হয়তো এইবোৰ তেওঁ কিতাপে-কাগজে দেখা ছবিৰ ছাপ। কিন্তু এখন ছবি অলপ আচৰিত হ'বলগীয়া—ৰীলৰ শেষৰ পিনে সেই তৰাটো, যিটো জ্বলিছে আৰু নুমাইছে, সেইটো কিন্তু কোনো বিখ্যাত তাৰকা নহয় ঃ ক্ৰয়েগাৰৰ তালিকাৰ ৬০ নম্বৰ নক্ষত্ৰৰ দ্বিতীয়টো—আৰু এটা আচৰিত কথা এয়ে যে ৰোগীয়ে তৰাটোক এটা পৰিৱৰ্তনশীল নক্ষত্ৰ অৰ্থাৎ পালচেটিং ভেৰিয়েব্‌ল বুলি কল্পনা কৰিছে।"

"সম্ভৱতঃ মানসিক সানমিহলি। হয়তো 'ক্ৰয়েগাৰ ৬০-বি' নামটোৱেই ৰোগীৰ কল্পনাক টানি লৈ গৈছে, হয়তো ৰোগীৰ সেই তৰাটোত আন কোনো কৌতূহল নাই।"

"খুব সম্ভৱ, হে'ৰ্ প্ৰফেছৰ।"

"ভাল কথা জিম, সেই কুণ্ডলীটো, যিটো পকাই-পকাই জ্বলি-জ্বলি ওপৰলৈ ডাঙৰ হৈ-হৈ উঠি গৈছে, সেইটো বাৰু কি? ৰোগীৰ মস্তিষ্কত সেইখন কিহৰ ছবি? কোনো গাণিতিক লেখ?"

জিমে ক'লে যে সেইটোও তৰাৰ—বস্তুতঃ দুটা তৰাৰ—ছবি। কাষৰ তৰাবোৰৰ অৱস্থান চাই জিমে যিমানদূৰ অনুমান কৰিব পাৰিছে, সেয়া বিটা-লিয়েৰ নামৰ যুগ্ম নক্ষত্ৰটোত সূৰ্যোদয়ৰ ছবি (অৰ্থাৎ অ-জ্যোতির্বিদে যিদৰে বস্তুটো কল্পনা কৰিব)। এই যুগ্ম নক্ষত্ৰৰ 'সূৰ্য' দুটা গোল নহয়, উপগোলাকাৰ, আৰু সিহঁতৰ মাজত জ্বলন্ত হাইড্ৰজে'ন বাষ্প—সেই জ্বলন্ত হাইড্ৰজে'নেই ৰোগীৰে দেখা কুণ্ডলীটো—

"বেয়া নহয় জিম, বেয়া নহয়। স্মিথ্‌ছনিয়ান্ ইন্‌ষ্টিটিউটত বাৰু তুমি মুঠতে কিমান দিন আছিলা?"

"চাৰি বছৰ, হে'ৰ্ প্ৰফেছৰ।" (বিনম্ৰ উত্তৰ)

উপগ্ৰহটোৱে আৰু এটা উপবৃত্ত পূৰ্ণ কৰিলে, কক্ষপথ বিষুবৰেখাৰপৰা আৰু এক চতুৰ্থাংশ ডিগ্ৰী হালি পৰিল। ফ্লৰিডাৰ ট্ৰেকিং-ষ্টেশ্যনৰপৰা আৰু এটা ব্লিপ্-ব্লিপ্ সংকেত সন্মুখৰ কক্ষত জিমে গ্ৰহণ কৰিলে, তলত মেক্সিক' চিটীৰ পোহৰৰ ছোপটো পাৰ হৈ গ'ল। ৰোগীয়ে জোৰে-জোৰে নিঃশ্বাস ল'ব ধৰিছে। নাড়ী আৰু হৃৎপিণ্ডৰ স্পন্দন কমি আহিছে, ৰোগীৰ মুখত বিন্দু-বিন্দু ঘাম আৰু নতুন-নতুন ৰেখা। 'সপোন' দেখা বন্ধ হৈছে, মাইনিছি-আই-বি-এম্ যন্ত্ৰটোত কোনো সঁহাৰি নাই।

চিকিৎসকে আৰু এবাৰ ছবিবোৰ পৰ্দাত নিক্ষেপ কৰিলে। মানুহবোৰৰ মুখ এখনো স্পষ্ট নহয়, হয়তো সকলো পাহৰি যোৱা মুখ, হয়তো ৰোগীৰ সংৰক্ষণ-ক্ষমতা কেতিয়াবাই নিঃশেষিত, বা হয়তো—চিকিৎসকে ভাবিলে—কেতিয়াবাই হেৰাইছে ৰোগীয়ে মানুহৰ প্ৰতি কৌতূহল, মুখৰ প্ৰতি মনোযোগ, মনৰ ব্যগ্ৰতা। হয়তো পৃথিৱীৰ চহৰবোৰৰ মাজেৰে ৰোগীয়ে খোজ কাঢ়িছে সম্পূৰ্ণ নিৰ্লিপ্ত, উদাসীন, নিৰ্বিকাৰ...

এইটো এটা বিৰক্তিকৰ কথা, চিকিৎসকে ভাবিলে, যে আজিলৈকে আমি মস্তিষ্ক-তৰংগত শব্দ আৰু বৰ্ণ ধৰিব নোৱাৰিলোঁ—এই যে মানুহবোৰ, এইবোৰৰ পোছাক ঠিক কেনেকুৱা, পোছাকৰ ৰং কি, মুখৰ ৰং বগা নে হালধীয়া নে ক'লা...এই যে কিবা এখন শকট বাৰে-বাৰে ওলাইছে (ৰে'ল নহয়), সেইখন এখন বাছ? ট্ৰাম? ৰোমৰ ট্ৰলিবাছ? লণ্ডনৰ ৰঙা আৰু ক্ৰীম ৰঙৰ ডাবল্-ডে'কাৰ বাছ? কলিকতাৰ, ৰটাৰডামৰ, এডিনবৰাৰ ট্ৰাম? বাৰে-বাৰে এটুকুৰা আয়তক্ষেত্ৰ হিজিবিজিৰ মাজত স্পষ্ট হৈ উঠিছে, আঃ, যদি তাৰ লগত মাথোঁ সামান্য এটা শব্দ থাকিলহেঁতেন—! আঁকোৰগোজালি 'ৰিফ্ৰেইন'ৰদৰে বাৰংবাৰ এটুকুৰা আয়তক্ষেত্ৰ ঃ এখন খিৰিকি? এখন আচী? এখন কিতাপ? এখন চিঠি? এই অজ্ঞাতনাম অজ্ঞাতৰোগ লুপ্তসংজ্ঞা লুপ্তস্মৃতি যাযাবৰৰ বিষয়ে কত কথাই হয়তো কৈ দিব পাৰিলেহেঁতেন সামান্য এটা বৰ্ণচ্ছটাই, সামান্য এটুকুৰা শব্দই—এটা চিৎকাৰধ্বনি, এটা পিস্তলগৰ্জন, এটা পদশব্দ, এখন ৰুদ্ধ দুৱাৰ, এখন ট্ৰামৰ চকাৰ ঘূৰ্ণন, এটা দীৰ্ঘশ্বাস, এটুকুৰা সংগীত—

"জিম, তুমি বাখ্ ভাল পোৱা নে?"

"ভাল নাপাওঁ বুলি ক'ব নোৱাৰোঁ, হে'ৰ্ প্ৰফেছৰ, নুবুজোঁ। মোৰ উৰ্ধত।"

"আঃ!"

এটুকুৰা সংগীত, এটুকুৰা বাখ, চিকিৎসকে ভাবিলে...নীচ্, মাৰ্বুৰ্গ, হাইডেল্‌বাৰ্গ...কিমান দিন আগৰ তেওঁ সদ্যনিৰ্গত স্নায়ু-মনস্তত্ত্বৰ ডক্টৰেট, যৌৱনৰ উদ্দামতাৰে ভৰা...চামৰাৰ হাফ-পেণ্ট পিন্ধি নে'কাৰ্ নদীত নতুন-নতুন সুঁতি বিচাৰি নাও বাবলৈ যোৱা সিদিনাৰ তেওঁ ডেকা ছাত্ৰ, উচ্চতম সন্মান লৈ সগৌৰৱে গৱেষণাৰপৰা বাহিৰ হৈ অহা সিদিনাৰ ব্যগ্ৰ নবীন বিদ্যাৰ্থী...তাৰপাছত পৃথিৱীলৈ কত সৰু-ডাঙৰ যুদ্ধ, দুৰ্ভিক্ষ, অশান্তি, বিপ্লৱ...কিমান দূৰত, তথাপি কিমান ওচৰত...আজি পৃথিৱীৰ বায়ুমণ্ডলৰ কেইবাশ মাইল ওপৰত আয়ন'স্ফিয়াৰৰ প্ৰান্তদেশৰ বহু উৰ্ধত ঘূৰ্ণীয়মান এই সৰু মানুহে সজা হাস্পতাল-উপগ্ৰহৰ 'পৰ্যবেক্ষক' প্ৰৌঢ় প্ৰফেছৰ আজিও সেই উদ্দামতাৰ কিমান ওচৰত, আজিও বিচাৰিবলৈ কিমান উদ্‌গ্ৰীব মানুহৰ মনৰ নতুন, অজানা সুঁতি...

নীচ্, মাৰ্বুৰ্গ, হাইডেল্‌বাৰ্গ্ কক্ষপথত নপৰে। আফ্ৰিকাৰ চহৰ আৰু আজিও অৰ্ধাৱিষ্কৃত অৰণ্যবোৰৰ ওপৰেৰে 'ছেন্টিনে'ল'

দ্ৰুতগতিৰে পাৰ হৈ গৈছে। আফ্ৰিকা এতিয়া সূৰ্যৰ পোহৰত, ইচ্ছা কৰিলে তেওঁ দূৰবীণেৰে তাৰ ডাঙৰ অৰণ্যবোৰ, নদীবোৰ, চহৰবোৰ (এনেকি চহৰৰ ৰাস্তাবোৰৰ এটা জালি-কটা দৃশ্যও) দৃষ্টিক্ষেত্ৰলৈ আনিব পাৰে। তেওঁৰ এতিয়া ৰোগী 'নিৰীক্ষণ'ৰ সময় পাৰ হৈ গৈছে, এতিয়া তেওঁৰ সহকাৰীক জগাই দিব পাৰে। কিন্তু তেওঁ দূৰবীণৰ চুইচটোত হাত নিদিলে, আৰু সহকাৰীকো নজগালে। তেওঁ নিষ্পন্দ দৃষ্টিৰে ৰোগীলৈ চাই ৰ'ল। তেওঁৰ কৰিবলগীয়াখিনি তেওঁ কৰিছে, ৰোগীৰ মস্তিষ্ক-তৰংগবোৰ তেওঁ 'লিপিবদ্ধ' কৰিছে। (সেইটো ইমান ওখত কৰিবলগীয়া হৈছে অৱশ্যে এই কাৰণেই যে ওপৰৰ এই পাতল মধ্যাকৰ্ষণ আৰু বায়ুচাপ হৃদৰোগৰ চিকিৎসাৰ কাৰণে অতি আশাজনক। তদুপৰি, বায়ুমণ্ডলৰ বাহিৰত আছে বিভিন্ন বিকীৰণৰ কল্যাণ। তদুপৰি, মাইনিছি-আই-বি-এম এতিয়ালৈকে পৃথিৱীৰ মধ্যাকৰ্ষণ আৰু অন্যান্য ক্ষেত্ৰৰ বাহিৰতহে কাম কৰিবলৈ সক্ষম)। কিন্তু সেই তৰংগবোৰৰ, ছবিবোৰৰ তেওঁ অৰ্থ কৰিব পৰা নাই, সামঞ্জস্য উলিয়াব পৰা নাই, তাৰ কাৰণে সময় লাগিব। আৰু এঘণ্টা পাছত চন্দ্ৰত প্ৰজ্বালক বোজাই কৰি শুক্ৰগামী এম্বুলেন্স'খন আহিব আৰু ৰোগীক একেবাৰে মধ্যাকৰ্ষণ ক্ষেত্ৰৰ বাহিৰৰ আন্তৰ্গ্ৰহ হাস্পতাল 'শ্বোৰাইৎচাৰ'লৈ লৈ যাব, য'ত বিশেষজ্ঞসকল আছে। তিমানপৰে ৰোগীক জীয়াই ৰখা আৰু ৰোগীৰ বিষয়ে তথ্য সংগ্ৰহ কৰাই তেওঁৰ দায়িত্ব—

"ভাল কথা জিম, তোমাৰ স্ত্ৰীৰ কোনো খবৰ আহিলনে? আৰু কিমান দেৰি?"

"ধন্যবাদ, হে'ৰ্ প্ৰফেছৰ। আজি কালিতে—"

জিমে কথা শেষ নকৰিলে।

"আঃ! তুমি নাৰ্ভাচ হৈছা?"

"নাই, নাই, নাৰ্ভাচ হোৱা নাই, হে'ৰ্ প্ৰফেছৰ—"

"ল'ৰা হ'লে ভাল পাবা, নে ছোৱালী? সঁচা কথা ক'বা।"

"এ— ছোৱালী।"

"আঃ!"

চিকিৎসকে ক'ব খুজিলে যে তেওঁৰো এজনী ছোৱালী আছিল—গেয়াৰ্ডা, তেওঁলোকে তাইৰ নাম ৰাখিছিল, মাকে মৰম কৰি গেয়াৰ্ডাশ্বেন্ বুলি মাতিছিল; বাৰ্লিনৰ দ্বিতীয় বোমাবৰ্ষণৰ সময়ত তাইৰ বয়স আছিল চাৰে চাৰি বছৰ। তেওঁ আৰু ক'ব খুজিলে যে সেইবোৰ দুৰ্যোগৰ সময়ত তেওঁৰ শক্তি আৰু বিশ্বাসৰ উৎস আছিল বাখ্, যাক জিমহঁতে বুজি নাপায়! (এনেকুৱা স্বৰ্গীয় সুৰধ্বনিও মানুহে বুজি নাপায়!) সকলো আৰু সকলোকে হেৰুৱাইও তেওঁ নিজৰ ওপৰত আৰু মানুহৰ ওপৰত বিশ্বাস হেৰুওৱা নাই, তেওঁৰ আত্মাক অন্ধকাৰৰ শক্তিবোৰে গ্ৰাস কৰি পেলাব পৰা নাই—কাৰণ এসময়ত যহান্ চেবাষ্টিয়ান্ বাখ্ নামেৰে এজন সংগীতজ্ঞই পৃথিৱীত জন্মগ্ৰহণ কৰিছিল—

তেওঁৰ জিমক সুধিবৰ মন গ'ল, ফ্লৰিডাৰপৰা তেওঁ খুজি পঠিওৱা স্পুলটোৰ বিষয়ে কিবা সংকেত আহিছে নেকি। স্পুলটোত বাখৰ চি-মেজৰ্-কন্সাৰ্ট আৰু দুটা অৰ্গেন-বাদ্য ৰেকৰ্ড কৰা আছে, কেইবাদিন ধৰি তেওঁ স্পুলটোৰ অপেক্ষা কৰিছে। মুখ ফুটাই তেওঁ ক'লে, "যাক্, তুমিও তেনেহ'লে ছোৱালীকে বিচাৰা? হাঃ-হাঃ-হাঃ, পৃথিৱীত কত পৰিৱৰ্তন হ'ল—এনেকি মানুহে অৱশেষত যুদ্ধ নকৰিবলৈও শিকিলে আৰু সকলো আণবিক অস্ত্ৰ-শস্ত্ৰ মহাকাশলৈ নি ধ্বংস কৰি পেলালে—কিন্তু মাক-বাপেকৰ মনবোৰ ঠিক তেনেদৰেই থাকিল। সূৰ্যৰ তলত সঁচাকৈয়ে কোনো নতুন বস্তু নাই, কি কোৱা জিম?"

হাতৰ নোটবহীখন তেওঁ জোৰেৰে খামুচি ধৰিলে (যাতে মধ্যাকৰ্ষণৰ স্বল্পতাই বহীখন উৰাই লৈ নাযায়) আৰু তথ্যখিনি মাইক্ৰ'টেপ্ কৰাবলৈ তেওঁ পুনৰ পৰ্দাখনৰ কাষলৈ গ'ল, জিমক মাতিব খুজিলে। জিমে চুহুৰিয়াইছে, তেওঁৰ মাত শুনি লৰালৰিকৈ চুহুৰি বন্ধ কৰিলে। লুইজি ডালাপিক'লাৰ ১২-স্বৰ প্ৰণালীৰ গত এটা জিমে চুহুৰিয়াইছে (কুৰি শতিকাৰ শেষ দশকত যিবোৰ হঠাৎ জনপ্ৰিয় হৈ গৈছে)। চিকিৎসকে অন্যমনস্কভাৱে হাঁহিলে—জিমে হয়তো নাজানে, এই অভিনৱত্বও ক'বলৈ গ'লে বাখৰপৰাই আহিছে। স্মিথচনিয়ান্ ইন্‌ষ্টিটিউটৰ দিনবোৰ মনত পৰিলে জিমে চুহুৰিয়াব ধৰে—হয়তো তেওঁৰ কথাই জিমক সেই দিনবোৰ মনত পেলাই দিছে। পৰ্টহ'লৰ কাষত বহি যেতিয়া তেওঁ দেখে পাৰ হৈ গৈছে মেঘ আৰু সাগৰ, মেঘ আৰু তৰা (পৃথিৱীৰপৰা দেখাতকৈ বহু-বহু গুণ উজ্জ্বল), আৰু মহাদেশবোৰৰ সীমাৰেখা ঘণ্টাই-ঘণ্টাই পৰিৱৰ্তিত, পৃথিৱীখনৰ আকৃতি চন্দ্ৰকলাৰদৰে বিবৰ্তিত হৈ সৰুৰপৰা ডাঙৰ হৈ-হৈ পূৰ্ণ পৃথিৱী, আৰু তাৰপাছত আকৌ সৰুৰপৰা সৰু হৈ গৈছে, আৰু মাথোঁ অলপ সময় মাজে-মাজে পৃথিৱী-গ্ৰহণৰ বাহিৰে ওৰে দিন পৰিপূৰ্ণ সূৰ্যালোক (ইমান ওখত আস্পতাল পতাৰ যিটো আৰু এটা কাৰণ)—তেতিয়া তেওঁৰো মনত পৰে। তেওঁৰ মনত পৰে নিম্ন-চেক্সনি প্ৰদেশৰ বিস্তৃত পথাৰ...হাইডে'ল্‌বাৰ্গৰ মনোৰম পৰিদৃশ্য...ধূসৰ দৃশ্যপটৰ মাজেৰে বিসৰ্পিল গতিত নে'কাৰ নদী বৈ গৈছে, নদীৰ পাৰে-পাৰে ভগ্নাৱশেষ আৰু সন্ধিয়াৰ কুঁৱলি আৰু ৰাশি-ৰাশি হলুগুৰ ফুলৰ গুচ্ছ, বীয়াৰ গাৰ্টেন্‌বোৰত গুড়া কফিৰ গোন্ধ আৰু বীয়াৰৰ ফেন। তেওঁৰ মনত পৰে তেওঁৰ স্ত্ৰী যহানা আৰু মাৰ্বুৰ্গৰ স্নায়ুবিজ্ঞান-ছেমিনাৰ। তেওঁৰ মনত পৰে, ডাঙৰ ডবল পিয়ান'ত একেলগে বহি বাখ্ অভ্যাস কৰিছে তেওঁ আৰু যহানা...পৰিয়াল..বোমাবিধ্বস্ত বাৰ্লিন...

বাখৰ স্পুলটোৰ কথা তেওঁৰ আকৌ মনত পৰিল, হয়তো আজিকালিতে আহিব। তেওঁৰ মনলৈ স্তৱকপুথিৰ শাৰী

এটা ভাহি আহিল, “আচহুৰা দেশত আমি কেনেকৈ প্ৰভুৰ গীত গাম...”

“হে’ৰ্ প্ৰফেছৰ, কিবা ধৰিব পাৰিলেনে?”

“নাই পৰা জিম, ছবিবোৰ কোনো সহায়ৰ নহয়।”

ৰটাৰ্‌ডামৰ ট্ৰাম? বম্বেৰ অট্টালিকা? সেই মানুহবোৰ নিজৰ দেশৰ, লোকৰ দেশৰ? এখন দেশ, কেইবাখনো দেশ, বিভিন্ন দেশ? আঃ, শব্দ! শব্দ! এটা ধন্যবাদ, এটা ‘না’, এটা বিদায়, এটা ক্ষুদ্ৰ কটুক্তি, এটা শিশুৰ কান্দোন, এগৰাকী মাকৰ দীৰ্ঘ নিঃশ্বাস, এজনী প্ৰণয়িনীৰ ব্যাকুল ব্যগ্ৰ চুমা, এখন অপসৃয়মান ট্ৰেইন, এডাল ওক্ গছৰ মৰ্মৰ ধ্বনি, এটা গিলাচ চূৰ্ণ-বিচূৰ্ণ, এখন দুৱাৰ বন্ধ হোৱাৰ শব্দ—যিকোনো এটা শব্দ!

“জিম, আৰু এবাৰ সংযোগটো দিয়া।”

“ভাল, হে’ৰ্ প্ৰফেছৰ।”

“ফ্লৰিডাই মাতিছিলনে ইতিমধ্যে?”

“হয়, হে’ৰ্ প্ৰফেছৰ। আৰু চল্লিছ মিনিট।”

“ধন্যবাদ, জিম।”

পুনৰ এটা আয়তাকাৰ টুকুৰা। খিৰিকি? আৰ্চী? কাগজ? চিঠি? চিঠি?

চিকিৎসকৰ কপালৰ ৰেখাবোৰ কুঞ্চিত হ’ল। আঘাত? কি আঘাত? কেনেকুৰা আঘাত, কেনেকুৰা শ্বক্? কিয় আঘাত, কিয় শ্বক্? কি ভুলৰ কাৰণে, কি পাপৰ কাৰণে এই আঘাত, কি দোষ? নিজৰ দোষ? অইন কাৰোবাৰ দোষ? অইন কাৰোবাৰ পাপ? চিকিৎসকৰ নিজৰ মস্তিষ্কত দ্ৰুতবেগে কিছুমান ছবিৰ তৰংগ ভাহি গ’ল (কোনো যুক্তি নাই, কিন্তু ভাহি গ’ল), তেওঁ কল্পনা কৰিলে এটা ঘৰ, এটা আয়তক্ষেত্ৰ। আয়তক্ষেত্ৰটো আলোকিত হ’ল ঃ এখন খিৰিকি, ভিতৰত লাইট জ্বলিছে। তেওঁ কল্পনা কৰিলে ঘৰটোৰ সন্মুখত এটা ব্যস্ত ৰাস্তা, মানুহ আৰু মটৰ আৰু ট্ৰাম, তেওঁ কল্পনা কৰিলে ঘৰটোৰ সমুখত এখন পাৰ্ক, হাতত হাত ধৰি ডেকা-গাভৰু, দোলনা দুলিছে, ল’ৰা-ছোৱালীয়ে খেলিছে। তেওঁ কল্পনা কৰিলে, খিৰিকিখনৰ তলেৰে মানুহ এজন পাৰ হৈ গ’ল, আকৌ ঘূৰি আহিল, আকৌ পাৰ হৈ গ’ল...ৰাস্তা নিৰ্জন হৈ গ’ল, পাৰ্ক নীৰৱ হৈ গ’ল, আৰু অৱশেষত খিৰিকিখনো অন্ধকাৰ হৈ গ’ল, মানুহজন তেতিয়াও আহিছে, গৈছে, আহিছে—

মানুহজনৰ কোনো পৰিয়াল আছেনে? মাক আছেনে? পৃথিৱীত কোনোপিনে মানুহজনৰ কোনো টান আছেনে, কোনো বন্ধন, কোনো শিথিলতম বন্ধন? মানুহজনৰ কোন আছে, মানুহজনক কিহে এনেকৈ চিহ্নহীন, সংজ্ঞাহীন কৰি পৃথিৱীৰপৰা আঁতৰাই আনিছে, স্নায়-নিৰীক্ষকৰ চকীত শুৱাই দিছে...এনেদৰে, এনেদৰে, তোমাৰ ৰুমৰ খিৰিকিৰ পোহৰ, তোমাৰ পঢ়াৰ টেবুলৰ ওপৰৰ ঘূৰণীয়া ঢাক দিয়া লাইটটোৰপৰা প্ৰতিফলিত পোহৰৰ চাৰিকুণীয়া টুকুৰা তাৰ হাজাৰ আকুলতা, তাৰ অসংখ্য সন্ধিয়াৰ বিচিত্ৰ অনুভূতি সামৰি লৈ আমাৰ দৃষ্টিসীমাৰ বাহিৰলৈ আঁতৰি গ’ল, তোমালোকৰ ঘৰটোৰ চাৰিওপিনৰ সৰু-ডাঙৰ ওখ-চাপৰ ঘৰবোৰ ক্ষুদ্ৰৰপৰা ক্ষুদ্ৰতৰ হৈ আহিল, তোমালোকৰ ঘৰৰ সমুখৰ পাৰ্কখনৰ ল’ৰা-ছোৱালীৰ হুলস্থুল, ঘৰৰ সমুখৰ সেই ব্যস্ত ৰাস্তা, ট্ৰাম-টাৰ্মিনাচটোৰ হাজাৰ মানুহ আৰু ট্ৰামৰ তাঁৰবোৰৰপৰা ওলোৱা নীলা-নীলা স্ফুলিংগৰ ঝিলিক্, এই সকলো তীব্ৰবেগে আমাৰ চেতনাৰ বাহিৰলৈ গুচি গ’ল, তোমালোকৰ ঘৰৰ সমুখৰ ৰাস্তাটোৰ যান-বাহন আৰু মানুহবোৰ ক’লা-ক’লা গতিশীল বিন্দুলৈ ৰূপান্তৰিত হ’ল, মনিব নোৱৰা হৈ গ’ল, অদৃশ্য হৈ গ’ল। সেই আলোকিত খিৰিকিখনৰ লগত জড়িত ব্যথা আৰু উদ্বেগৰপৰা আমি জানো তেনেহ’লে অৱশেষত আমাক বিচ্ছিন্ন কৰিলোঁ, আমি জানো তেনেহ’লে অৱশেষত আমাক মুক্ত কৰিলোঁ আমাৰ অগণন বাধা, সংকীৰ্ণতা আৰু ঈৰ্ষাৰপৰা? এৰা, সেই ব্যস্ত ৰাস্তা, পাৰ্কখনৰ সেই সৰু ল’ৰা-ছোৱালীৰ কলৰোল, বতাহত সেই পৰিচিত ঘাম আৰু লেভেণ্ডাৰ আৰু গুড়া-কফিৰ গোন্ধ, সেই ট্ৰামৰ তাঁৰত তীক্ষ্ণ ধাতৱ ঘৰ্ষণধ্বনি আৰু নীলা-নীলা স্ফুলিংগ, আৰু তোমাৰ খিৰিকিৰ আয়তাকাৰ পোহৰৰ টুকুৰা—এই সকলোৰেপৰা আমি অৱশেষত আমাক আঁতৰাই আনিলোঁ, আমাৰ গ্লানিক্লান্ত অসহায়তাৰপৰা আমি আমাক ছেকেণ্ডত সাত মাইল গতিবেগত বিক্ষিপ্ত কৰিলোঁ, এতিয়া এই বাধাহীন ব্যাপ্তি, এই ৰাশি-ৰাশি নক্ষত্ৰৰ গান, এই অবিচ্ছিন্ন গতিশীলতা, এই সকলো আমাৰ, আমাৰ, আমাৰ...

“হেৰ্ প্ৰফেছৰ?”

“অ, জিম?”

“ফ্লৰিডা আকৌ। ব্ৰে’ন্‌শ্লুচ্; প্ৰথম ধাপৰ উত্তোলক ৰকেটটোৰ জ্বলন শেষ। আৰু কুৰি মিনিট।”

“বেছ্।”

“মাইক্ৰ’টেপ্‌খিনি হৈছে। আৰু কিবা লাগিব, হে’ৰ্ প্ৰফেছৰ?”

“ধন্যবাদ জিম, নালাগে।”

ব্ৰে’ন্‌শ্লুচ্! প্ৰথম ধাপৰ উত্তোলক ৰকেটটোৰ জ্বলন শেষ! উত্থান-কালৰ প্ৰথম প্ৰচণ্ড গতিবৃদ্ধি আমি পাৰ হৈ আহিলোঁ, আমি অনুভৱমাত্ৰ নকৰিলোঁ তাৰ লগত জড়িত প্ৰচণ্ড মধ্যাকৰ্ষণ আৰু ৰক্তচাপ, যেন কেতিয়াবাই আমি পৃথিৱীৰ বুকুত চিৰদিনৰ বাবে এৰি থৈ আহিলোঁ সকলো কষ্টকৰ চেতনা, সকলো সংঘাত। এতিয়া এই অগনিত নক্ষত্ৰৰ মাজত আমাৰ মুক্ত অবিচ্ছিন্ন গতি, আমাৰ পৰ্ট্‌হ’লৰ বাহিৰেৰে দ্ৰুতবেগে পাৰ হৈ গৈছে বহুবৰ্ণ স্ফটিক, চিনিব পাৰা চিনিব নোৱাৰা ৰাশি-

ৰাশি তৰা, স্থিৰ আৰু তিৰবিৰ, বগা বাওনা আৰু ৰঙা দৈত্য, এণ্ড্ৰমিডা আৰু লুব্ধক, মীৰা আৰু কালপুৰুষ—

ৰোগীৰ মুখত বিন্দু-বিন্দু ঘাম ফুটি উঠিছে, ছটফটনি লাহে-লাহে বাঢ়ি আহিছে। গ্ৰাফডালৰ চলন্ত বিন্দুটোলৈ চিকিৎসকে চালে। দ্বিতীয় ইন্‌ফে'কশ্যন। নাড়ী—৯৯। আকৌ পেনিচিলিন দিব লাগিব।

—কিন্তু ক'ত, ক'ত, ক'ত থাকিল ৰহস্যাবৃত, মেঘাবৃত শুক্ৰ, তাৰ সৌন্দৰ্য আমি নেদেখোঁ কিয়, আলোক ইমান স্তিমিত কিয়, ক'ত আকাশৰ উজ্জ্বলতম নক্ষত্ৰ লুব্ধক, তাৰ জ্যোতি আমি নেদেখোঁ কিয়, ইমান শীতল কিয়, ক'ত কেন'পাচ্ আৰু ভীগাৰ উত্তাপ, সিহঁতৰ উষ্ণতা আমি অনুভৱ নকৰোঁ কিয়, কন্যা আৰু ত্ৰিশঙ্কুৰ গান আমি নুশুনো কিয়, ইমান শীতল কিয়, ইমান নিস্তব্ধ কিয়? ক'ত আমি ভুল কৰিলোঁ, কি আমি ভুল কৰিলোঁ? মাথোঁ এটা গাণিতিক ভুলৰ বাবেই এনেকুৱা হ'ল, নে আমি তাতোকৈ ডাঙৰ, তাতোকৈ সাংঘাতিক ভুল কৰিলোঁ, সকলো চেষ্টা এৰি দি আহিলোঁ, পলাই আহিলোঁ—

"হে'ৰ্ প্ৰফেছৰ?"

"অ, জিম?"

"আৰু দহ মিনিট।"

"দহ মিনিট? আমাৰ ভাগ্য ভাল। ৰোগীক আৰু আধাঘণ্টাও ইয়াত ৰাখিবলৈ সাহ কৰিব নোৱাৰোঁ। আকৌ পেনিচিলিন দিছোঁ। অ জিম, মই সাজু। সংকেত দিয়া।"

"ভাল, হে'ৰ্ প্ৰফেছৰ।"

"তেওঁলোকে নতুন ৰোগী আনিছে?"

"নাই, এই যাত্ৰাত আটাইকেইজনক শ্বোৱাইৎচাৰ'লৈ নিব।"

"বেছ্।"

চিকিৎসক সাজু হ'ব ধৰিলে। জিমৰ কক্ষত ব্লিপ্-ব্লিপ্-ব্লিপ্ দ্ৰুততৰ হৈ আহিল। চিকিৎসকে হাতৰ তলুৱাৰে চকু মোহাৰিলে। আৰু পাঁচ মিনিট পাছত সহকাৰীক জগাই দি তেওঁ শুব। ৰোগীৰ ধমনীত পেনিচিলিনৰ পৰমাণু প্ৰবাহিত হ'ব ধৰিলে। বহিৰ্গমন দুৱাৰখনৰ সংযোগবোৰ জিমৰ অদৃশ্য হাতৰ স্পৰ্শত নিখুঁতভাৱে নিৰ্দিষ্ট-নিৰ্দিষ্ট স্থানত পৰিব ধৰিলে, এটা চেপা গুম্‌গুম্ ধ্বনিৰে কক্ষটো ভৰি উঠিল। আৰু পাঁচ মিনিট পাছত 'শ্বোৱাইৎচাৰ'ৰ এম্বুলেন্সখন আহিব, 'ছেন্টিনে'ল'ৰ লগত সমান্তৰালভাৱে স্পিন্ কৰিব, আৰু স্বয়ংক্ৰিয় দুৱাৰখনেৰে ৰোগীক উলিয়াই লৈ শুক্ৰৰ দিশে পাৰি দিব...হয়তো ৰোগীৰ জ্ঞান ফিৰি আহিব, স্মৃতি ফিৰি আহিব, পাহৰা চহৰ, হেৰোৱা মুখ, পুৰণি শব্দ...হয়তো ৰোগীয়ে আকৌ সেইবোৰৰপৰা নিজক বিক্ষিপ্ত কৰিব খুজিব, আৰু দূৰলৈ, আৰু আঁতৰলৈ...

"হে'ৰ্ প্ৰফেছৰ? হে'ৰ্ প্ৰফেছৰ?"

"কি হ'ল জিম, কি হ'ল? কোনো বেয়া খবৰ—"

"নহয়, নহয়—আপোনাৰ স্পুলটো আনিছে—এইমাত্ৰ সংকেত পালোঁ—বাখ্, 'বৰদিনৰ অৰেটাৰিঅ' আৰু দুই পিয়ান'ৰ কিবা এটা—সম্ভৱতঃ 'চি মেজৰ্—"

"সঁচাই? ধন্যবাদ জিম, ধন্যবাদ।"

"আঃ যিমানদিনলৈ পৃথিৱীত বাখ্ আছে...!"

চিকিৎসকে মূৰশিতানত থিয় হৈ ৰোগীক নিৰীক্ষণ কৰিব ধৰিলে। ঘামত বিছনা ভিজি গৈছে—সৰ্বাংগ ছটফট কৰিছে, হাতেৰে মুঠি খামুচি-খামুচি ধৰিছে, ক্লিষ্ট মুখত হাজাৰটা ৰেখা ফুটি উঠিছে আৰু মিলি গৈছে। হয়তো বেচেৰাই কোনোদিনে বাখ্ শুনা নাই,—

"জিম, স্পুলটো ৰোগীৰ লগত যাব।"

"কিন্তু হে'ৰ্ প্ৰফেছৰ! সেইটো আপোনাৰ অনুৰোধ শুনি-শুনি তেওঁলোকে পঠিয়াইছে—"

"স্পুলটো ৰোগীৰ লগত যাব।"

"হয়, হে'ৰ্ প্ৰফেছৰ।"

চিকিৎসকে নিজ মনে ক'লে, "আচহুৱা দেশত আমি তেনেহ'লে কেনেকৈ তোমাৰ গীত গাম..." আৰু তেওঁ চকু মুদিলে...এনেদৰে, এনেদৰে, তোমাৰ ৰুমৰ খিৰিকিৰ পোহৰ, তোমাৰ পঢ়াৰ টেবুলৰ ওপৰৰ ঘূৰণীয়া ঢাক দিয়া লাইটৰপৰা প্ৰতিফলিত পোহৰৰ চাৰিকুণীয়া টুকুৰা, তাৰ হাজাৰ আকুলতা, তাৰ অসংখ্য সন্ধিয়াৰ বিচিত্ৰ অনুভূতি সামৰি লৈ আমাৰ দৃষ্টিসীমাৰ ভিতৰলৈ উভতি আহিল...সেই ব্যস্ত ৰাস্তা, পাৰ্কখনৰ সেই সৰু ল'ৰা-ছোৱালীৰ কলৰোল, বতাহত সেই পৰিচিত ঘাম আৰু লেভেণ্ডাৰ আৰু গুড়াকফিৰ গোন্ধ, ট্ৰামৰ তাঁৰবোৰত সেই তীক্ষ্ণ ধাতব ঘৰ্ষণ আৰু নীলা-নীলা স্ফুলিংগৰ ঝিলিক, আৰু তোমাৰ খিৰিকিৰ আয়তাকাৰ পোহৰৰ টুকুৰা—এই সকলোবোৰৰ লগত আমি আকৌ আমাক সংযুক্ত কৰিলোঁ, আমাৰ দেহ আৰু মনৰ উষ্ণতাৰে আমি আকৌ আমাৰ গ্লানি, বিদ্বেষ আৰু অসহায়তাৰ মাজলৈ সোমাই আহিলোঁ—এতিয়া এই বাধাহীন ব্যাপ্তি, এই ৰাশি-ৰাশি নক্ষত্ৰৰ গান, এই অবিচ্ছিন্ন গতিশীলতা, এই সকলো আমাৰ, আমাৰ, আমাৰ...